# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2025
**Time :** 0900 HRS

# *Assamese Morning Bulletin*

- - - - - - - - - - - - - -

১। জৈৱিকভাৱে উৎপাদিত সামগ্ৰী বিশ্বৰ বিভিন্ন দেশলৈ ৰপ্তানিৰ ক্ষেত্ৰত অসমে বিশেষ সফলতা অৰ্জন কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন।

৩। গুৱাহাটীৰ নলা-নৰ্দমা পৰিষ্কাৰকৰণৰ কাম দেওবাৰৰ ভিতৰত সম্পূৰ্ণ নহ'লে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ নিৰ্দেশ।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি কাৰ্গিল যুদ্ধৰ সেনানী সুবেদাৰ মেজৰ চন্দ্ৰ চুতীয়াৰ অভিমত।

**আৰু**

৫। কাইলৈৰ পৰা আই পি এলৰ পৰৱৰ্ত্তী খেলসমূহ আৰম্ভ।

০০০০০০

অসমে আদা, লিচু, মাটিকঠাল, কাজি নেমু, ৰঙালাউ, জহা চাউলকে ধৰি ৰাজ্যত উৎপাদিত সামগ্ৰী বিশ্বৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰাৰ ক্ষেত্ৰত অভূতপূৰ্ব সফলতা অৰ্জন কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত কাৰ্বি আংলঙৰ খেতিয়কে উৎপাদন কৰা ১০ মেট্ৰিক টন আদা কাটাৰ আৰু ওমানলৈ ৰপ্তানি কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কেন্দ্ৰীয় চৰকাৰৰ তথ্যৰ জেৰ টানি এই কথা সদৰি কৰে। লণ্ডনৰ বজাৰত তেজপুৰৰ লিচু, কাজি নেমুৱে বিশেষ স্থান দখল কৰা বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি ৰাজ্যত উৎপাদিত জৈৱিক সামগ্ৰীয়ে বিশ্বৰ ১৮খন দেশত সমাদৰ লাভ কৰিছে। প্ৰতি বছৰে ৰপ্তানিৰ পৰিমাণ ক্ৰমাৎ বৃদ্ধি পোৱাৰ কথা এই তথ্যত প্ৰকাশ পাইছে। মন্ত্ৰালয়ৰ তথ্য অনুসৰি ২০২৫-২৬ বৰ্ষত ৰাজ্যত উৎপাদিত জৈৱিক সামগ্ৰী ৰপ্তানিৰ পৰিমাণ কমেও ৩ হাজাৰ ২০০ কোটি টকা হোৱাৰ সম্ভাৱনা আছে। দক্ষিণ আফ্ৰিকা, ডুবাই, লণ্ডনলৈ কল, আদা, নেমু আদিৰ ৰপ্তানিও ক্ৰমাৎ বাঢ়িবলৈ ধৰিছে। কৃষি মন্ত্ৰালয়ৰ প্ৰতিবেদন মতে এই সামগ্ৰীসমূহ জৈৱিক পদ্ধতিৰে উৎপাদন হোৱা বাবেহে ইয়াৰ সমাদৰ বৃদ্ধি পাইছে। অসমৰ পৰা ইতিমধ্যে দক্ষিণ আফ্ৰিকালৈ ১০০ মেট্ৰিক টন জৈৱিক ক'লা চাউল ৰপ্তানি কৰা হৈছে। একেদৰে অলপতে বিহাৰলৈ ৮৭ মেট্ৰিক টন জৈৱিক কল ৰপ্তানি কৰা হৈছে। ২০২৩-২৪ বৰ্ষত ডুবাইলৈ ৪২ মেট্ৰিক টন মাটি কঠাল, ১০ মেট্ৰিক টন আদা ৰপ্তানি কৰা হৈছিল আৰু তেতিয়াৰে পৰা সেই দেশত অসমৰ মাটিকঠাল আৰু আদাৰ সমাদৰ বাঢ়িছে।

০০০০০০০

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত উপস্থিত হৈ ইয়াৰ কাষৰীয়া হাতীখুলী চাহবাগিচা পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বাগিচাখনৰ শ্ৰমিকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ বিভিন্ন সা-সুবিধাৰ বুজ লয়। তেওঁ চৰকাৰী আঁচনিৰ সুবিধা লাভ নকৰা শ্ৰমিকসকলক সংশ্লিষ্ট পক্ষক এই বিষয়ে অৱগত কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছত শ্ৰী চৌহানে কাজিৰঙাৰ কঁহৰাস্থিত বন বিভাগৰ প্ৰেক্ষাগৃহত বোকাখাত অঞ্চলৰ কিছুসংখ্যক কৃষকৰ সৈতে মত বিনিময় কৰে। কৃষকসকলে নিজৰ খেতি-পথাৰত উৎপাদিত বিভিন্ন পাচলি মন্ত্ৰীগৰাকীক উপহাৰ হিচাপে আগবঢ়ায়। বোকাখাত সমষ্টিৰ বিধায়ক তথা কৃষি মন্ত্ৰী অতুল বৰা আৰু বোকাখাত সম-জিলাৰ উপায়ুক্তই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সংগ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে মিজোৰামৰ উদ্যান শস্য মহাবিদ্যালয়ৰ বিদ্যায়তনিক চৌহদ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব। কাইলৈ তেওঁ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

ooooo

উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আজি কেইবাটাও চৰকাৰী কাৰ্যসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণ কালত মন্ত্ৰীগৰাকীয়ে দিছপুৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। বৈঠকত উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ত অধীনত গ্ৰহণ কৰা উন্নয়নমূলক কাম-কাজ আৰু সম্প্ৰতি চলি থকা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হ'ব।

ooooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই গুৱাহাটীৰ নলা-নৰ্দমাসমূহ পৰিষ্কাৰকৰণৰ কাম অহা দেওবাৰৰ ভিতৰত সম্পূৰ্ণ নহ'লে গুৱাহাটী পৌৰ নিগমৰ বিষয়া তথা সংশ্লিষ্ট ঠিকাদাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে কালি গুৱাহাটীৰ কেইবাটাও কৃত্ৰিম বানপ্ৰৱণ অঞ্চল পৰিদৰ্শন কৰি নৰ্দমাৰ আৱৰ্জনা আৰু বোকামাটি ততালিকে আঁতৰ নকৰিলে দুৰ্যোগ প্ৰশমন আইনৰ অধীনত ব্যৱস্থা গ্ৰহণৰ সকিয়নী দিয়ে। যোৱা বৰ্ষৰ পৰা বানমুক্ত গুৱাহাটী অভিযান আৰম্ভ কৰি ৩০ এপ্ৰিলৰ ভিতৰত নৰ্দমা পৰিষ্কাৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও সেয়া সম্পূৰ্ণ হৈ নুঠাত মন্ত্ৰীগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰে। লগতে ঠিকাদাৰসকলে আগলৈ দুটা বা তিনিটা কামহে একেলগে ল'ব পাৰিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মন্ত্ৰী মল্লবৰুৱাই কালি অনিল নগৰ, ৰুক্মিনীগাঁও, বেলতলা, বশিষ্টপুৰ আদি অঞ্চল পৰিদৰ্শন কৰাৰ লগতে স্থানীয় ৰাইজৰ পৰাও সমস্যাসমূহৰ বুজ লয়। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, কামৰূপ মহানগৰ জিলা আয়ুক্তৰ উপৰি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিষয়ববীয়া তথা সংশ্লিষ্ট ৱাৰ্ডৰ পাৰিষদসকলো এই পৰিদৰ্শন কালত উপস্থিত থাকে।

**বাইট**

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীৰ বাতৰি বিভাগে এলানি বিশেষ শৃংখলা প্ৰচাৰৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও সৈনিকসকলৰ সন্মানাৰ্থে বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰি আছে। আজিৰ বুলেটিনত আমি ১৯৯৯ চনৰ কাৰ্গিল

যুদ্ধত পাঞ্জাবৰ বাটলা খণ্ডত নিষ্ঠাৰে দায়িত্ব পালন কৰা সন্মানীয় লেফটেনেণ্ট উপাধি লাভ কৰা চুবেদাৰ মেজৰ ধেমাজিৰ চন্দ্ৰ চুতীয়াৰ গাথা লৈ আহিছো। ধেমাজিৰ বৰদলনিৰ বকুলবাৰীৰ বীৰ সৈনিক গৰাকীয়ে জোৱানসকলৰ ত্যাগৰ বিষয়ে আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাৰ আগত এইদৰে কয় –

বাইট

আকাশবাণী গুৱাহাটী কেন্দ্ৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত আৰু পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰিব।

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীৰ বাতৰি বিভাগে এলানি বিশেষ শৃংখলা প্ৰচাৰৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও সৈনিকসকলৰ সন্মানাৰ্থে বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰি আছে। আজিৰ বুলেটিনত আমি ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত পাঞ্জাবৰ বাটলা খণ্ডত নিষ্ঠাৰে দায়িত্ব পালন কৰা সন্মানীয় লেফটেনেণ্ট উপাধি লাভ কৰা চুবেদাৰ মেজৰ ধেমাজিৰ চন্দ্ৰ চুতীয়াৰ গাথা লৈ আহিছো। ধেমাজিৰ বৰদলনিৰ বকুলবাৰীৰ বীৰ সৈনিক গৰাকীয়ে জোৱানসকলৰ ত্যাগৰ বিষয়ে আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাৰ আগত এইদৰে কয় –

বাইট

আকাশবাণী গুৱাহাটী কেন্দ্ৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত আৰু পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰিব।

ooooo

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত শোণিতপুৰ জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা অন্বেষা গোস্বামীলৈ নিৰ্মল চন্দ্ৰ শইকীয়া সোঁৱৰণি শৈক্ষিক মেধা বঁটা আগবঢ়োৱা হৈছে। অন্বেষাই আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ ৯২ দশমিক ৬ শতাংশ নম্বৰ লাভ কৰিছিল। জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত নিৰ্মলচন্দ্ৰ শইকীয়াৰ সোঁৱৰণত ২০২১ বৰ্ষৰ পৰাই এই বঁটা প্ৰদান কৰি অহা হৈছে। উল্লেখযোগ্য যে অন্বেষা গোস্বামী আমাৰ দৰঙৰ সংবাদদাতা ময়ুখ গোস্বামীৰ কন্যা।

ooooooo

ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা উত্তেজনাময় পৰিবেশৰ বাবে সাময়িকভাৱে স্থগিত ৰখা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব।

ooooooo

ভাৰতত এপল কোম্পানীক আইফোন কাৰখানা নুখুলিবলৈ মাৰ্কিন ৰাষ্ট্ৰপতিৰ নিৰ্দেশ, ৰাজ্যৰ উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ৯৪৪ টা শিক্ষক পদৰ বিলুপ্তি, পাকিস্তানৰ পৰমাণু অস্ত্ৰক লৈ প্ৰতিৰক্ষা মন্ত্ৰীৰ উদ্বেগ, পঞ্চায়ত নিৰ্বাচনৰ সাফল্যৰ পাছত বিজেপিৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি আদিকে ধৰি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অপাৰেচন সিন্দূৰৰ পাছতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এপল কোম্পানীৰ মুখ্য কাৰ্যবাহী টিম কুকক ভাৰতত আইফোন নিৰ্মাণ নকৰিবলৈ কাঢ়া নিৰ্দেশ দিয়াৰ বিপৰীতে ভাৰতৰ পৰিৱৰ্তে যুক্তৰাষ্ট্ৰত আইফোন নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিয়াৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো **আমাৰ অসম** কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

সাধাৰণ এলেকাত থকা উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগত একত্ৰীকৰণ হোৱা উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ত খালী হৈ থকা বহুসংখ্যক অনুমোদিত শিক্ষক পদৰ বিলুপ্তি ঘটাই মাধ্যমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশনাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

ৰাজ্যপালে প্ৰেৰণ কৰা বিধেয়কত অনুমোদনৰ বাবে উচ্চতম ন্যায়ালয়ে সময়সীমা নিৰ্ধাৰণ কৰাক লৈ কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ মাজত সৃষ্টি হোৱা সংঘাতৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পঞ্চায়ত নিৰ্বাচনৰ অভাৱনীয় সাফল্যৰ পাছতে বিজেপিয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। বিধানসভা নিৰ্বাচনৰ বাবে দলটোৱে ১০৩ খন আসনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মণিপুৰৰ ম্যানমাৰ সীমান্তত অসম ৰাইফলছৰ সৈতে হোৱা সংঘৰ্ষত ১০ উগ্ৰপন্থী নিহত হোৱাৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

তিনিদিনৰ ভিতৰত গুৱাহাটীক বানমুক্ত কৰাৰ কাম শেষ নকৰিলে ঠিকাদাৰক জে'ললৈ প্ৰেৰণ কৰা হ'ব বুলি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰা বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অপাৰেচন সিন্দূৰৰ পাছত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ প্ৰথমটো জম্মু-কাশ্মীৰ ভ্ৰমণত পৰিস্থিতিৰ পৰ্যালোচনাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ কৃষিজাত সামগ্ৰীৰ চাহিদা বৃদ্ধি পোৱাৰ এটা বাতৰি **দা ছেণ্টিনেল কাকতে** মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ সামগ্ৰিকভাৱে ডাৱৰীয়া হৈ থাকিব। লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০

সমাপ্ত